www.pratishruti.org

# Pratishruti
# প্ৰতিশ্ৰুতি
Newsletter
মুখপত্ৰ

PRATISHRUTI CANCER & PALLIATIVE TRUST
PCPT DIBRUGARH
FEAR NOT, TOGETHER WE FIGHT

দ্বিতীয় বছৰ ■ প্ৰথম সংখ্যা ■ ডিচেম্বৰ - ২০২০ Volume 2 ■ Issue 1 ■ December, 2020




# ত্যাগ-সেৱাৰ স্বীকৃতিৰে চাৰি ব্যক্তিক বঁটা প্ৰদান

## সম্পাদকীয়

### লক্ষ্য প্ৰাপ্তি আৰু প্ৰত্যাহ্বান

■ ডাঃ গায়ত্ৰী গগৈ

*Coming together is a beginning*
*Keeping together is a progress*
*Working together is a success.*

এজাক মানুহে ২০১৭ চনৰ ১৫ ডিচেম্বৰত এক আদৰ্শ শিৰত লৈ আৰু গভীৰ বিশ্বাসৰ অংগীকাৰ বুকুত বান্ধি একত্ৰিত হৈ ৰৈছিল ‘প্ৰতিশ্ৰুতি’ নামৰ এটি গছপুলি কেন্সাৰ আৰু উপশমী সেৱাৰ ক্ষেত্ৰত সমাজৰ এক বিশেষ প্ৰকাৰৰ সেৱা আগবঢ়াবলৈ। ‘প্ৰতিশ্ৰুতি’ নামৰ গছপুলিটো ঠন ধৰি উঠি শিপাবোৰে শক্তিশালীভাৱে সমাজখনৰ মাটিত খামোচ মাৰি ধৰিলে তাৰ কাৰণ হ’ল মানুহৰ সততা, নিষ্ঠা আৰু যিকোনো *(দহ পৃষ্ঠাত)*

কৰ্কট ৰোগৰ সজাগতা আৰু ৰোগীক উপশমী সেৱা আগবঢ়াই অহা ৰাজ্যৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান ডিব্ৰুগড়ৰ ‘প্ৰতিশ্ৰুতি’য়ে ৫ জানুৱাৰীত দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। এই উপলক্ষ্যে আয়োজিত বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে *(সাত পৃষ্ঠাত)*

## ‘প্ৰতিশ্ৰুতি’ৰ স’তে কাম কৰি যোৱাৰ সংকল্প লৈছো



■ বৰষাৰাণী বিষয়া
‘প্ৰতিশ্ৰুতি’ চেভ লাইভ এম্বেচাদৰ, অভিনেত্ৰী, অসম

কৰ্কট এনে এবিধ ৰোগ যিয়ে ধনী দুখীয়া সকলোৰেই অৰ্থ আৰু শৰীৰৰ সমানেই ক্ষতি কৰে। এই ৰোগ প্ৰতিৰোধৰ বাবে আৰু সজাগতাৰ বাবে মই *(চাৰি পৃষ্ঠাত)*

## ‘প্ৰতিশ্ৰুতি’ৰ হেল্পলাইন

■ পান্না ভৰালী

২০১৮ চনৰ ১৫ ডিচেম্বৰৰ প্ৰতিষ্ঠা দিৱসত ‘প্ৰতিশ্ৰুতি’ৰ দুটা ‘হেল্পলাইন’ নম্বৰ মুকলি কৰা হয়। এই নম্বৰ দুটা হৈছে **৬০০১৮৩০০৭৯** আৰু **৬০০১৬৮৮৩৪১**। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ মুকলি থাকে এই ‘হেল্পলাইন’ নম্বৰ দুটা। এই নম্বৰ দুটাত ফোন কৰি কেন্সাৰ *(সাত পৃষ্ঠাত)*

## Message from President

■ *Dr. Alak Kr. Buragohain*
**Pratishruti Cancer & Palliative Trust**

“It is almost a year now that the entire humanity has been confronting the most dreadful pandemic COVID 19. One year and on, there is no sight of any respite from this dreadful virus infection. COVID-19 has left not a single sphere of human concern unaffected. One area that this pandemic has affected considerably is in the timely diagnosis, treatment and palliative care of the countless cancer patients. We take pride and pleasure in reckoning Pratishuti’s uninterrupted engagement in extending it’s service to the needy helpless cancer patients even during this most trying time. What is remarkable is that our organization has embarked upon the gigantic task of helping the state Government in tracing, treating and tracking the COVID 19 patients of the state with all its limited resources over and above extending our helping hand to the cancer patients. As we observe Pratishruti’s third Foundation Day, I take the privilege of saluting our volunteers, doctors and our valued donors for their deep commitment to humanity.”

# ৰাজ্যিক ভিত্তিত ‘প্ৰতিশ্ৰুতি’ৰ কেন্সাৰ সজাগতা অভিযান

■ মৌচুমী বৰগোহাঁই গগৈ
■ দীপিকা দত্ত বৰদলৈ



কেন্সাৰৰ স'তে যুঁজ কৰাৰ পণ লৈ জন্ম লোৱা ‘প্ৰতিশ্ৰুতি’ য়ে অধিক শক্তিশালী ৰূপত অগ্ৰসৰ হ'বৰ বাবে ২০১৯ চনত শুভাৰম্ভ কৰিলে ‘ৰাজ্যিক ভিত্তিত কেন্সাৰ সজাগতা অভিযান’। কেন্সাৰৰ স'তে যুঁজত জয়ী হ'বলৈ সজাগতা আৰু প্ৰাৰম্ভিক অৱস্থাতে বেমাৰ ধৰা পেলাই চিকিৎসা গ্ৰহণ কৰাই হ'ল ইয়াৰ মূল অস্ত্ৰ। উত্তৰ-পূৰ্বাঞ্চলত মুঠ পাঁচ কোটি জনসংখ্যাৰ বসতি স্থান আৰু তাত ৪৫,০০০ কেন্সাৰ নতুনকৈ ধৰা পৰে। সেয়েহে উত্তৰ-পূৰ্বাঞ্চল কেন্সাৰৰ কেন্দ্ৰবিন্দু হিচাপে অভিহিত কৰা হৈছে। এইসকলৰ মাজত সত্তৰ শতাংশ মানুহৰে ধৰা পৰে আৰোগ্য নোহোৱা স্তৰত আৰু তাৰ ভিতৰত ৫০ শতাংশ ৰোগীৰ মৃত্যু ঘটে। স্তন কেন্সাৰ, জৰায়ুগ্ৰীৱা কেন্সাৰ আৰু মুখগহ্বৰ কেন্সাৰত সৰ্বাধিক মানুহ আক্ৰান্ত হয়। সাধাৰণ কিছু পৰীক্ষা আৰু এই সম্পৰ্কে সচেতনতাৰ মাজেদি এই ভয়াবহ পৰিস্থিতিৰ উন্নতি ঘটাব পাৰি। এই সজাগতা অভিযান জনসাধাৰণৰ মাজত অধিক ফলপ্ৰসূ কৰিবলৈ অসমৰ জনপ্ৰিয় অভিনেত্ৰী, শিল্পী বৰষা ৰাণী বিষয়া অতি আগ্ৰহেৰে ‘প্ৰতিশ্ৰুতি’ৰ ‘চেভ লাইভ এম্বেচাদৰ’ হিচাপে মুখ্য ভূমিকাত অৱতীৰ্ণ হৈছে। এই অনুসৰি ‘প্ৰতিশ্ৰুতি’ৰ তৰফৰ পৰা চলিত বৰ্ষত ৰাজ্যৰ ভিন্ন প্ৰান্তত আয়োজন কৰা হয় এলানি সজাগতা সভা। ৩১ জানুৱাৰীত গুৱাহাটীৰ ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ প্ৰেক্ষাগৃহত ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটীৰ সহযোগত, ৪ ফেব্ৰুৱাৰীত ধেমাজি বাণিজ্য মহাবিদ্যালয়ত কলেজখনৰ মহিলা কোষ আৰু অসম বিজ্ঞান সমিতিৰ ধেমাজি শাখাৰ সহযোগত, ২২ ফেব্ৰুৱাৰীত টেঙাখাত কলেজত কলেজখনৰ ‘আইকিউএচি’ আৰু সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সহযোগত, ১১ অক্টোবৰত ডিব্ৰুগড়ত নিজাববীয়াকৈ আৰু ৮ নবেম্বৰত গুৱাহাটীত ‘প্ৰতিশ্ৰুতি’ আৰু অসম আৰক্ষীৰ যৌথ সহযোগত সজাগতা সভাৰ আয়োজন কৰা হয়। কেউখন ঠাইত ৰাইজৰ সহযোগিতা আছিল অত্যন্ত আশাব্যঞ্জক। ‘প্ৰতিশ্ৰুতি’য়ে ৰাজ্যখনৰ বিভিন্ন স্থান যেনে শিৱসাগৰ, যোৰহাট, গোলাঘাট, তেজপুৰ, নগাঁও, মৰিগাঁও আদি বিভিন্ন ঠাইত সজাগতা সভা আয়োজনৰ সিদ্ধান্ত গ্ৰহণৰ লগতে প্ৰস্তুতি সম্পুৰ্ণ কৰি তোলাৰ পিছতো ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত উক্ত সভাসমূহ বাতিল কৰিবৰ বাবে বাধ্য হয়। অনাগত দিনত এই কাৰ্যসূচী অব্যাহত থাকিব আৰু এইক্ষেত্ৰত সংগঠনটোৰ তৰফৰ পৰা আমি সকলোৰে পৰা সহযোগিতা বিচাৰিছো; যাতে এই দুৰাৰোগ্য ৰোগটোত আক্ৰান্ত হোৱাৰ পূৰ্বেই ৰাইজক সজাগ কৰিব পাৰো। ■

**প্ৰতিশ্ৰুতি'ৰ হোম ভিজিটৰ সময়ছোৱাৰ মূহূৰ্তত**



## ‘প্ৰতিশ্ৰুতি’ৰ ঘৰুৱা উপশমী চিকিৎসা সেৱা প্ৰকল্প

■ ডাঃ জি. এছ. বৰগোহাঞি
**আহ্বায়ক, প্ৰতিশ্ৰুতি পেলিয়েটিভ কেয়াৰ**

উপশমী চিকিৎসা সেৱা সম্প্ৰতি কেন্সাৰ চিকিৎসা ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংগত পৰিণত হৈছে। উপশমী চিকিৎসা এনে এক চিকিৎসা ব্যৱস্থা য'ত আমি দুৰাৰোগ্য ৰোগত ভুগি থকা ৰোগী আৰু আত্মীয়সকলৰ শাৰিৰীক, মানসিক, সামাজিক আৰু আধ্যাত্মিক সমস্যাৰ অন্ত পেলাই ৰোগীক এটা শান্তিপূৰ্ণ জীৱ দিয়াটোৱেই পেলিয়েটিভ কেয়াৰৰ মুখ্য উদ্দেশ্য। ২০১৮ চনৰ ১৫ ডিচেম্বৰত ‘প্ৰতিশ্ৰুতি’ য়ে ‘ঘৰুৱা উপশমী সেৱা প্ৰকল্প’ৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পত ‘প্ৰতিশ্ৰুতি’ৰ পেনেলৰ চিকিৎসক, নাৰ্চ, স্বেচ্ছাসেৱক, ফিজিঅ'থেৰাপিষ্ট, ডায়েটিচিয়ান, কাউঞ্চেলাৰ আদিসকল জৰিত হৈ আহিছে। এতিয়ালৈকে ‘প্ৰতিশ্ৰুতি’ৰ উদ্যোগত সৰ্বমুঠ ৬০ গৰাকী ৰোগীয়ে বিনামূলীয়া এই চিকিৎসা সেৱা গ্ৰহণ কৰিছে। জীৱনৰ অন্তিম পৰ্যায়ৰ ৰোগীসকলক ‘প্ৰতিশ্ৰুতি’ য়ে বাসগৃহলৈ এই সেৱা প্ৰদান কৰাৰ লগতে এয়াৰ মেট্ৰেছ, হুইল চেয়াৰ আদিও যোগান ধৰি আহিছে। জীৱশ্ৰেষ্ঠ মানুহ হিচাপে ‘প্ৰতিশ্ৰুতি’য়ে সমাজৰ কৰ্কট ৰোগীসকলক উপশমী চিকিৎসাৰ বাবে আগবাঢ়ি আহিছে আৰু আমাৰ এই প্ৰচেষ্টাই জীৱনৰ অন্তিম মূহূৰ্তত এজন ৰোগীক যদি শান্তিৰে আৰু কষ্ট নোপোৱাকৈ পৰলোকগামী হব পাৰে তেন্তে আমাৰ কষ্ট নিশ্চয়কৈ সাৰ্থক হব বুলি আশা কৰাৰ থল আছে। এই ব্যৱস্থা আমাৰ অনুষ্ঠানটিয়ে অনাগত দিনবোৰত অব্যাহত ৰাখি এইসকল ৰোগীৰ যন্ত্ৰণা উপশমৰ বাবে সেৱা আগবঢ়াই যাব। আমি আশা কৰিম মূমূৰ্ষু কৰ্কট ৰোগীসকলৰ সহায়ক হিচাপে ‘প্ৰতিশ্ৰুতি’ য়ে সেৱা আগবঢ়াবলৈ সমৰ্থ হ'ম।



Pratishruti Helplines
**6001830079 / 6001688341**

**EDITORIAL BOARD**

***Advisor***
Dr. G.S. Borgohain

***Editor***
Dr. Gayatri Gogoi

**Executive Editor**
Mr. Ratan Hazarika

**Joint Editor**
Miss Panna Bharali
Mrs. Manjula Agarwal

***Members***
Dr. Deepsikha Thengal
Mr. Wazir Bin Qutub
Mrs. Ashmita Kalita

## ‘প্ৰতিশ্ৰুতি’ লৈ বিশিষ্ট ব্যক্তিৰ শুভেচ্ছামূলক বাৰ্তা

# প্ৰতিশ্ৰুতিৰ কাম-কাজ প্ৰশংসনীয়

■ ড° নগেন শইকীয়া

এটি সামাজিক-সাংস্কৃতিক আৰু মানৱিকবাদী অনুষ্ঠান **প্ৰতিশ্ৰুতিয়ে** প্ৰতি বছৰে ৰোগাক্ৰান্তসকলৰ সাহায্যাৰ্থে সেৱা কৰি অহা ব্যক্তি আৰু প্ৰতিষ্ঠানক তেওঁবিলাকৰ এই সেৱাৰ বাবে আন্তৰিক সম্বৰ্ধনাসহ একোটি বঁটা প্ৰদান কৰি আহিছে। এইবাৰ মুম্বাইত থাকিও অসমৰ কৰ্কট ৰোগাক্ৰান্ত ব্যক্তিসকলক কৰি অহা চিকিৎসাসেৱা আৰু এই সম্পৰ্কীয় দিহা-পৰামৰ্শৰে সহায় কৰি অহা ডাঃ তপন শইকীয়াদেৱক প্ৰতিশ্ৰুতিয়ে কৰ্কট ৰোগৰ লগত যুদ্ধ কৰি শেষত প্ৰাণ হেৰুওৱা ডাঃ হেৰেম্ব কুমাৰ ভৰালীদেৱৰ নামত উছৰ্গিত বঁটা প্ৰদান কৰি তেখেতক সম্বৰ্ধনা জনাবলৈ ব্যৱস্থা কৰিছে। তদুপৰি প্ৰতিশ্ৰুতিয়ে ড° প্ৰহ্লাদ কুমাৰ বৰুৱা সোঁৱৰণী বঁটা, অশ্বিনীচৰণ চৌধুৰী সোঁৱৰণী বঁটা আৰু ডি. কে. গগৈ শাস্ত্ৰী সোঁৱৰণী বঁটা উল্লিখিত সেৱাৰ লগত জড়িত তিনিটি প্ৰতিষ্ঠানক প্ৰদান কৰিবলৈ ব্যৱস্থা কৰিছে। এই বাৰ্তাই ‘প্ৰতিশ্ৰুতি’ৰ মানৱ সেৱাৰ মনোভাৱ উজ্জ্বল কৰাই নহয়, এই সেৱাৰ লগত জড়িত হৈ থকাসকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ আন্তৰিক সদিচ্ছাও বহন কৰিছে। মই ‘প্ৰতিশ্ৰুতি’কো এনে দায়বদ্ধতাৰে মানৱ সেৱা কৰি অহাৰ নিমিত্তে মোৰ আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰিছোঁ। ‘প্ৰতিশ্ৰুতি’ সদায় মানৱ সেৱাৰ প্ৰতিশ্ৰুতি হৈ জিলিকি থাকক।

# সুন্দৰ সময়, সুন্দৰ জীৱনৰ সমন্বয়

■ প্ৰশান্ত ৰাজগুৰু
**মুখ্য সম্পাদক, প্ৰাগ নিউজ**

‘প্ৰতিশ্ৰুতি’— শব্দটোৰেই মনত প্ৰত্যয় জন্মায়। বিগত কেইবাটাও বছৰত ‘প্ৰতিশ্ৰুতি’য়ে কৰ্কটাক্ৰান্ত মানুহৰ মনত আশাৰ সৃষ্টি কৰিছে। কৰ্কট মানেই সকলো শেষ, বাৰ্ধক্য মানেই একাকীত্ব এই ধৰণৰ কথা আৰু ধাৰণাক মুক্ত কৰাৰ বাবে, জীৱনৰ সকলো সময় উদ্‌যাপন কৰাৰ বাবে ‘প্ৰতিশ্ৰুতি’ৰ দৰে অনুষ্ঠানৰ প্ৰয়োজন। মাত্ৰ কেইজনমান উৎসৰ্গী ব্যক্তিয়ে আৰম্ভ কৰা এই অনুষ্ঠানৰ খুওব যে কম সময়ৰ ভিতৰতে অসমৰ ভিতৰতে এক গুৰুত্বপূৰ্ণ অনুষ্ঠানত পৰিণত হৈছে, ইয়াৰ কাৰণ কেইবাটাও। প্ৰথম কথা, এনে অনুষ্ঠানৰ প্ৰয়োজন আছিল। কৰ্কট ৰোগ আৰু পেলিয়েটিভ কেয়াৰৰ ক্ষেত্ৰত পৃথিৱীজুৰি আটাইতকৈ ভাল কাম কৰি আছে স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে। ডিব্ৰুগড়ত ‘প্ৰতিশ্ৰুতি’ৰ প্ৰয়োজন আছিল, অসমত ‘প্ৰতিশ্ৰুতি’ৰ প্ৰয়োজন আছিল। সেইকাৰণে খুওব কম সময়ৰ ভিতৰতে ‘প্ৰতিশ্ৰুতি’ৰ মানুহখিনি পোৱা হ’ল। দ্বিতীয় কাৰণ ‘প্ৰতিশ্ৰুতি’ৰ লগত জৰিত ব্যক্তিসকলৰ নিষ্ঠা, উৎসাহ আৰু আত্মত্যাগে ‘প্ৰতিশ্ৰুতি’ক এক গতিশীল অনুষ্ঠানত পৰিণত কৰিলে। ‘প্ৰতিশ্ৰুতি’ৰ লগত জৰিত প্ৰতিজনেই অনুষ্ঠানটোৰ জৰিয়তে মানুহক সেৱা কৰিছে-ইয়াৰ পৰা দুই ধৰণে উভয় পক্ষ উপকৃত হৈছে। প্ৰথমে ৰোগীজনে শুশ্ৰুষা পাই সন্তুষ্টি পাইছে। দ্বিতীয়তে শুশ্ৰূষা কৰি ‘প্ৰতিশ্ৰুতি’ৰ কৰ্মকৰ্তাসকলে সন্তুষ্টি লভিছে। এই কামে উভয় পক্ষৰে এক এক সুন্দৰ জীৱন আৰু সুন্দৰ সময়ৰ সন্মান দিছে। ‘প্ৰতিশ্ৰুতি’লৈ অজস্ৰ শুভেচ্ছাৰে।

# সহযোগী হ’বলৈ পাই সুখী হৈছো

■ ডাঃ প্ৰণয় ফুকন

পৃথিৱীত দিনে দিনে বাঢ়ি অহা কৰ্কট ৰোগ প্ৰতিৰোধৰ কাৰণে মানুহৰ মাজত সজাগতাৰ ভীষণ প্ৰয়োজনীয়তা আহি পৰিছে। সিংহভাগ কৰ্কটৰোগৰ চিকিৎসা যিহেতু এতিয়াও উপলব্ধ হৈ উঠা নাই, সজাগতা আৰু প্ৰতিৰোধেই ইয়াক নিৰ্মুল কৰাৰ প্ৰধান উপায়। এই ক্ষেত্ৰত ‘প্ৰতিশ্ৰুতি’ৰ মানবদৰদী সদস্য সকলে বিগত সময়ছোৱাত বিভিন্ন প্ৰদক্ষেপ আৰু কাৰ্যসূচী আগবঢ়াই এক নিদৰ্শন দাঙি ধৰিছে। লাহে লাহে প্ৰতিশ্ৰুতিৰ পৰিসৰ বাঢ়ি আহিছে। আমি সকলোৱে এনেবোৰ কল্যাণমূলক কামত সহায় সহযোগ আগবঢ়ালে এক স্বৰ্গীয় অনুভৱেৰে মনটো পৱিত্ৰ হৈ উঠে। প্ৰতিশ্ৰুতিৰ কাৰ্যক্ৰমনিকাৰ স’তে সহযোগ কৰিবলৈ পাই সুখী হৈছো।

## ‘প্ৰতিশ্ৰুতি’ৰ মেৰুদণ্ডস্বৰূপ দাতাসকল

■ অস্মিতা কলিতা

প্ৰতিশ্ৰুতিৰ পুঁজি সংগ্ৰহৰ যি প্ৰক্ৰিয়া যি আনতকৈ পৃথক আৰু অভিনৱ। প্ৰতিশ্ৰুতিৰ মেৰুদণ্ডস্বৰূপ কল্যাণকামী দাতাসকলে বাৰ্ষিক বৰঙনি হিচাপে ন্যূন্যতম ১,২০০ (বাৰশ) টকাকৈ আগবঢ়াই প্ৰতিশ্ৰুতিক আগবাঢ়ি যোৱাত সহায় কৰি আছে। এই অভিনৱ পুঁজি সংগ্ৰহ প্ৰক্ৰিয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো উচ্চপ্ৰশংসিত হৈছে। গুৱাহাটীত অনুষ্ঠিত আন্তৰ্জাতিক উপশমী চিকিৎসা সন্মিলনতো এই প্ৰক্ৰিয়াক বিভিন্নজনে যথেষ্ট প্ৰশংসা কৰিছিল। বৰ্তমান সময়ত প্ৰায় ৪০০ কল্যাণকামী দাতাই প্ৰতিটো পদক্ষেপতে প্ৰতিশ্ৰুতিৰ লগত সাহস হৈ থিয় দি আছে। আমাৰ মাজত এনেকুৱা দাতাও আছে যিসকলে অৰ্থনৈতিকভাৱে নোৱাৰিলেও অন্যান্য ধৰণেৰে যেনে বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰা, থকা-খোৱাৰ ব্যৱস্থা কৰা ঔষধ আদি যোগান ধৰা আদিৰ দ্বাৰা ‘প্ৰতিশ্ৰুতি’ৰ পঞ্জীয়নভুক্ত ৰোগীসকলক সহায় কৰি আহিছে। চলিত বৰ্ষত সৰ্বাধিক বৰঙণি আগবঢ়োৱা দাতাসকলৰ তালিকা উল্লেখ কৰা হ’ল –

| দাতাৰ নাম | ধনৰ পৰিমাণ |
|---|---|
| প্ৰশাসনিক কাৰ্যালয়, এছ বি আই, ডিব্ৰুগড় | ১,১৮,৫০০.০০ |
| গীতা দেৱী আগৰৱালা | ৬০,০০০.০০ |
| ৰাজীৱ দাস | ২১,০০০.০০ |
| লীলা দত্ত | ২০,০০০.০০ |
| ডাঃ নিতু কুমাৰ দাস | ১৫,০০০.০০ |
| ৰূচিকা খাদাৰিয়া | ১১,০০০.০০ |
| ডাঃ পংকজ ডেকা | ১০,০০০.০০ |
| ডাঃ ৰশ্মি আহমেদ | ১০,০০০.০০ |
| সমীৰ ৰিজুৱান আহমেদ | ১০,০০০.০০ |

১,২০০ ৰ পৰা ৫,০০০ টকাৰ ভিতৰত বৰঙণি আগবঢ়োৱা দাতাৰ সংখ্যা ৩৯২ গৰাকীৰ নাম তালিকা ‘প্ৰতিশ্ৰুতি’ৰ ৱেবছাইট ঃ www.pratishruti.org ত উপলব্ধ।

**আন্তঃৰাষ্ট্ৰীয় পেলিয়েটিভ কেয়াৰ, গুৱাহাটী অধিৱেশনত**

## ‘প্ৰতিশ্ৰুতি’ৰ ১৭ জনীয়া দলৰ অংশগ্ৰহণ

■ ডাঃ দীপশিখা ঠেঙাল
**ন’ডেল অফিচাৰ, ‘প্ৰতিশ্ৰুতি’ পেলিয়েটিভ কেয়াৰ**



ইণ্ডিয়ান এছ’চিয়েশ্যন অৱ পেলিয়েটিভ কেয়াৰৰ ২৭ সংখ্যক আন্তঃৰাষ্ট্ৰীয় সমাৰোহ ১৪-১৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হৈ যায়। এই সমাৰোহত ‘প্ৰতিশ্ৰুতি’ৰ হৈ মুঠ ১৭ গৰাকী কৰ্মকৰ্তাই অংশগ্ৰহণ কৰে। উক্ত সমাৰোহত ‘পেইন মেনেজমেন্ট’, শিশুকেন্দ্ৰিক সমস্যা’, ‘নাৰ্চিং ইছ্যুচ’, ‘ৰুল অৱ ভলন্টিয়াৰ্চ এণ্ড কেয়াৰটেকাৰ্চ’ আদি বিষয়সমূহৰ ওপৰত ভাৰতবৰ্ষৰ উপৰি বিদেশৰ বহুকেইগৰাকী সমল ব্যক্তিয়ে নিজা নিজা অভিজ্ঞতাসম্বলিত বক্তব্য আগবঢ়ায়। ‘প্ৰতিশ্ৰুতি’ৰ তৰফৰ পৰা ডাঃ দীপশিখা ঠেঙাল আৰু কবিতা ৰাজোৱাৰৰ নেতৃত্বত দুখন ‘প’ষ্টাৰ প্ৰেজেন্টেশ্যন’ আৰু ‘প্ৰতিশ্ৰুতি’ৰ কাম-কাজৰ ওপৰত ডাঃ গায়ত্ৰী গগৈয়ে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। আনহাতে এই অধিৱেশনৰ উদ্বোধনী অনুষ্ঠানত ‘প্ৰতিশ্ৰুতি’ৰ সভাপতি ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে উদ্বোধক হিচাপে অংশগ্ৰহণ কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। এই অধিৱেশনৰ জৰিয়তে ‘প্ৰতিশ্ৰুতি’ৰ সদস্যসকলে দেশ-বিদেশত পেলিয়েটিভ কেয়াৰ সম্পৰ্কীয় কাম-কাজৰ সম্যক জ্ঞান লাভ কৰাৰ লগতে অনাগত দিনত এই দিশত আগবাঢ়ি যাবলৈ বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰে।

# Comments from Benevolent Donors

Pratishruti Cancer and Palliative Trust, Dibrugarh is awarded "Commendation Certificate " of the Director General of Police, Assam fot the immense contribution for conceptualizing and implementing "COVID SENTINEL" Project which helped in real time data generation along with high quality research component leading to appropriate intervention.This innovative mechanism helped in successful monitoring of Home Quarantine and Home Isolation of COVID-19 affected people. Pratishruti's leadership through this community driven volunteers partnership programme with Assam Police made a big difference in handling in the time of COVID-19 global pandemic situation in Guwahati, Kamrup (Metro) District, Assam.

I convey my best wishes for all the Members of Pratishruti and hope that the 'Pratishruti Team' continues to serve with the zeal and fervour in days to come.

■ ***Bhaskarjyoti Mahanta, IPS***
DGP, Assam Police

---

I take this privilege to congratulate all members of Pratishruti Cancer and Palliative Trust, Dibrugarh on the occasion of it's third Foundation Day celebration on 20.12.2020 at D. H.S.K College auditorium. It's really commendable kind of efforts Pratishruti Cancer and Palliative Trust, Dibrugarh has put in so far since its inception to alleviate the stigma and agony associated with this fatal disease 'Cancer' as well as to provide a better life to those affected with the support and palliative care available at their disposal. Hopefully their mission and zeal will bring about a definite change in the prospective of general masses as to how with the help of scientific approach along with tender care from family, friends and the society we can beat this Cancer. Also, it is heartening to see them doing it on being a nonprofit making foundation towards disadvantaged section of the society.

I convey my best wishes to all associated with the Trust for successful organizing of its 3rd Foundation Day celebration as well as publication of its Newsletter to mark the occasion.

■ ***Pallav Gopal Jha, IAS***
Deputy Commissioner, Dibrugarh

---

"It has been my privilege to be associated with Pratishruti Cancer & Palliative Trust. It has touched lives of so many families with a humane touch within its journey of just 3 years. My close association with this committed organisation through the innovative 'Covid Sentinel Project' that I and Dr Gayatri Gogoi conceptualised during Pandemic times for monitoring of quarantines/ isolated cases was a highly rewarding and enriching experience. I wish every member, volunteer, office bearer my best compliments on the 3rd foundation day on 20th December 2020. May 'Pratishruti Cancer & Palliative Trust' grow in terms of its family strength, energies and blessings in coming times. Jai Hind.

■ ***Dr. Dhananjay Ghanwat, IPS***
Superintendant of Police, Dhemaji

*প্ৰথম পৃষ্ঠাৰ পৰা.....*

## ‘প্ৰতিশ্ৰুতি’ৰ স’তে কাম কৰি যোৱাৰ সংকল্প

প্ৰতিৰোধৰ বাবে আৰু সজাগতাৰ বাবে মই ‘প্ৰতিশ্ৰুতি’ৰ সতে আজীৱন কাম কৰি যাম। কাৰণ আনৰ বিষয়ে সদায় ভাল চিন্তা কৰিব লাগে, ভাল কাম কৰিব লাগে। ‘প্ৰতিশ্ৰুতি’য়ে মোক দিয়া ‘চেভ লাইভ এম্বেচাদৰ’ৰ দায়িত্ব অভিনয়ৰ লগতে গুৰু দায়িত্ব হিচাপে সাদৰেৰে গ্ৰহণ কৰি কাম কৰি যোৱাৰ বাবে সংকল্প লৈছো আৰু আনকো ইয়াৰ অংশীদাৰ কৰিবৰ বাবে যত্ন কৰি যাম। অসমত এনে এক পৰিৱেশো প্ৰত্যক্ষ কৰিছো যে মনোৰঞ্জন লাগে কিন্তু জীৱন নেলাগে। এইটো হব নেলাগে। বিশেষকৈ মহিলাসকলৰ মাজত স্তনৰ কৰ্কট ৰোগৰ যি প্ৰাৰ্দুভাৰ ঘটিছে সেয়া আমি নিশ্চিতভাৱে সজাগতাৰ জৰিয়তে বচাব পাৰো। যিহেতু আটাইতকৈ শ্ৰেষ্ঠ ধৰ্ম হৈছে মানৱ সেৱা। সেয়ে ‘প্ৰতিশ্ৰুতি’য়ে মোক ‘চেভ লাইভ এম্বেচাদৰ’ৰ দৰে যি সন্মান আৰু দায়িত্ব দিছে সেয়া মোৰ ২৬ বছৰীয়া অভিনয় জগতত লাভ কৰা অনেক সন্মানৰ ভিতৰত জীৱনৰ এইটো শ্ৰেষ্ঠতম সন্মান আৰু দায়িত্ব। মোৰ মাজত থকা জনপ্ৰিয়তাই কৰ্কট ৰোগীসকলক বচোৱা কাৰ্যত যদি সহায় কৰে তেন্তে মোৰ জীৱন সাৰ্থক হব।

## ‘প্ৰতিশ্ৰুতি’ৰ স’তে যুক্ত ৰোগীৰ অভিমত

# দুখীয়া নিচলা মানুহৰ বাবে ‘প্ৰতিশ্ৰুতি’য়ে কাম কৰি যাওক

মই এগৰাকী কেন্সাৰ ৰোগী। মোৰ ঘৰ ডিব্ৰুগড়ৰ কুমাৰণীছিগাত। প্ৰথমাৱস্থাত একেলেঠাৰিয়ে তিনিমাহমান কাহ হয়। খালে লাগি ধৰা যেন অনুভৱ হয় আৰু ওলাই আহে। তেতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চিকিৎসক অনিল কলিতাক দেখুওৱাত এণ্ড’চকপি কৰিবলৈ কয় আৰু মোৰ খাদ্যনলীত কেন্সাৰ ৰোগৰ অৱস্থিতি ধৰা পৰে। মই যোৱাবাটত থকা ‘নৰ্থ ইষ্ট কেন্সাৰ হস্পিটেল’লৈ গৈ চিকিৎসকৰ পৰামৰ্শ অনুসৰি তিনিটা কেম’ লওঁ। চলিত বৰ্ষৰ ১৯ মাৰ্চত মোৰ অস্ত্ৰোপচাৰ হয়। কিন্তু মাৰ্চৰ পৰা লকডাউনৰ বাবে গুৱাহাটীলৈ যোৱ নোৱৰাত ডিব্ৰুগড়তে ‘প্ৰতিশ্ৰুতি’ৰ যোগেদি ডাঃ ৰমেশ চহৰীয়া ছাৰক দেখুৱাওঁ আৰু অটল অমৃত কাৰ্ডৰ জৰিয়তে বাকী তিনিটা কেম’ বিনামূলীয়াকৈ ডিব্ৰুগড়ৰ ‘মেডিকেয়াৰ হস্পিটেল’ত লওঁ। বৰ্তমান মই সুস্থ অনুভৱ কৰিছো। দুখীয়া নিচলা মানুহৰ বাবে ‘প্ৰতিশ্ৰুতি’ৰ দৰে এই সংগঠনসমূহ আশীৰ্বাদস্বৰূপ। ‘প্ৰতিশ্ৰুতি’ৰ ডাঃ গায়ত্ৰী গগৈ বাইদেওলৈ মোৰ অশেষ ধন্যবাদ থাকিল। ভৱিষ্যতলৈ যেন এই সংগঠনটোৱে সকলো সহায়-সহযোগ অব্যাহত ৰাখে তাকে কামনা কৰিলো। ‘প্ৰতিশ্ৰুতি’ৰ সকলো কৰ্মকৰ্তা আৰু সংগঠনটিৰ উন্নতি কামনা কৰিলো।

■ **ৰত্নেশ্বৰ গগৈ,**
**কুমাৰণিছিগা, ডিব্ৰুগড়**

# লকডাউনৰ সময়ত ‘প্ৰতিশ্ৰুতি’য়ে মোৰ প্ৰাণ ৰক্ষা কৰিলে

মোৰ নাম জেছমিন বেগম। মই স্তনৰ কৰ্কট ৰোগত আক্ৰান্ত মহিলা। মোৰ স্বামী নথকাৰ হেতুকে নিজৰ চিকিৎসা কৰিব পৰা নাছিলো। সেই সময়ত মোক সহায় বাবে আগবাঢ়ি অহা ‘প্ৰতিশ্ৰুতি’ স্বেচ্ছাসেৱী সংগঠন তথা তেওঁলোকৰ সকলো সদস্যৰ লগতে ডাঃ গায়ত্ৰী গগৈ বাইদেওৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছো। তেওঁলোকে মোক ডিব্ৰুগড়ত অটল অমৃত কাৰ্ডৰ জৰিয়তে বিনামূলীয়াকৈ ডিব্ৰুগড়ৰ ‘মেডিকেয়াৰ হস্পিটেল’ত কেম’ ল’বলৈ ব্যৱস্থা কৰি দিয়ে। তাৰ উপৰিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানলৈ যোৱাৰ বাবে ব্যৱস্থা কৰি দিছিল। একপ্ৰকাৰে ‘প্ৰতিশ্ৰুতি’য়ে মোৰ প্ৰাণ ৰক্ষা কৰিলে। লকডাউনৰ সময়তো সংগঠনটোৱে আৰ্থিকভাৱেও সহায় কৰাৰ বাবে মই সংগঠনটোৰ ওচৰত চিৰকৃতজ্ঞ।

■ **জেছমিন বেগম,**
**গ্ৰেহেম বজাৰ, ডিব্ৰুগড়**

# ‘প্ৰতিশ্ৰুতি’ৰ স’তে যুক্ত ৰোগীৰ অভিমত

## ‘প্ৰতিশ্ৰুতি’ৰ কাম-কাজ মানৱীয়তাৰ উৎকৃষ্ট নিদৰ্শন

‘প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট’ৰ মানৱদৰদী সমূহ বিষয়ববীয়া, চিকিৎসকসকল, বিশেষভাৱে প্ৰতিশ্ৰুতিৰ অনুষ্ঠান সঞ্চালক তথা কৰ্কট ৰোগৰ গৱেষক, এএমচিএইচৰ পেথলজি বিভাগৰ সহযোগী অধ্যাপক ডাঃ গায়ত্ৰী গগৈ বাইদেও, দিল্লীৰ ৰাজীৱ কেন্সাৰ ইন্সটিটিউট এণ্ড ৰিচাৰ্চ চেন্টাৰৰ ডাঃ সুমিত গোৱেল, ডিব্ৰুগড়ৰ বিশিষ্ট চিকিৎসক ডাঃ মৃগাংক বৰুৱা, গুৱাহাটী হেলথ চিটি হস্পিটেলৰ ডাঃ পংকজ ডেকা ছাৰে মোৰ দেউতা বিনোদ গগৈৰ চিকিৎসাৰ ক্ষেত্ৰত দিয়া মূল্যৱান দিহা-পৰামৰ্শ তথা চিকিৎসা সেৱাৰ বাবে আমাৰ পৰিয়ালৰ তৰফৰ পৰা শতবাৰ সশ্ৰদ্ধ প্ৰণাম যাচিলো। তেখেতসকলৰ ওচৰত আমাৰ পৰিয়াল চিৰদিন কৃতজ্ঞ হৈ থাকিব।

চলিত ২০২০ বৰ্ষৰ জানুৱাৰী মাহৰ পৰা কাহত ভূগি থকা দেউতাৰ ফেব্ৰুৱাৰী মাহৰ শেহৰপিনে মুখৰ পৰা বহু পৰিমানে কফ বাহিৰ হ’বলৈ ধৰে। তাৰ কিছুদিনৰ পিছত খোৱা-বোৱা কৰোতে ডিঙিত কাঁইটে বিন্ধাৰ দৰে অনুভৱ কৰাত ততাতৈয়াকৈ পৰিয়ালৰ সদস্যসকলৰ স’তে আলোচনা কৰি ডিব্ৰুগড়স্থিত এইচ এম নাৰ্চিংহোমলৈ লৈ যোৱা হয়। উক্ত হস্পিটেলত চিকিৎসকে পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত তেখেত কেন্সাৰ ৰোগত আক্ৰান্ত হোৱা বুলি অনাকাংক্ষিত খবৰটো জনোৱাত আমাৰ মূৰত সৰগখন ভাগি পৰাৰ দৰে হয়। কি কৰো কি নকৰো একো উৱাদিহ নেপাই ডিব্ৰুগড়ৰ আমাৰ আত্মীয় পৰিমিতা গগৈৰ ভাড়াঘৰলৈ যাওঁগৈ। তেখেতসকলৰ ঘৰলৈ গৈ সেই অবাঞ্ছিত খবৰটো দিয়াত তেখেতে মোক একো চিন্তা নকৰিবলৈ কৈ তৎক্ষণাত তাইৰ বান্ধৱী ‘প্ৰতিশ্ৰুতি’ৰ সদস্যা অস্মিতা কলিতাক যোগাযোগ কৰে। অস্মিতা বাইদেৱে অকণো পলম নকৰাকৈ ‘প্ৰতিশ্ৰুতি’ৰ ডাঃ গায়ত্ৰী বাইদেওৰ স’তে আলোচনা কৰি তেখেতে লগে লগে সুমিত গোৱেলৰ স’তে আলোচনা কৰি অতি সোনকালে গোৱেল ছাৰক কাগজ-পত্ৰসহ লগ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। তেখেতৰ পৰামৰ্শ অনুসৰি মই দুজন বন্ধুসহ দেউতাক লৈ ২৭ ফেব্ৰুৱাৰীত দিল্লীলৈ ৰাওনা হওঁ। অস্মিতা বায়ে দিয়া পৰামৰ্শ আৰু ফোন নম্বৰত গোৱেল ছাৰৰ স’তে বাৰ্তালাপ কৰো আৰু তেখেতে দুদিনৰ পিছত লগ কৰিবলৈ দিহা দিয়ে। তেখেতৰ স’তে কথা-বতৰা হওঁতে মোৰ এনে লাগিছিল যেন মই মানৱদৰদী এগৰাকী ব্যক্তিৰ স’তেহে ঘৰুৱা কথা -বতৰা হৈছো। তেখেতৰ স’তে কথা-বতৰা পতাৰ পিছত মোৰ মনৰ পৰা ভয়-ভীত, হতাশা-নিৰাশা আৰু আশংকা নোহোৱা হ’ল। মনত এটা বিশ্বাস জন্মিল যে তেখেতসকলৰ সু-চিকিৎসাত মোৰ দেউতা সম্পুৰ্ণ আৰোগ্য হৈ উঠিব। ডাঃ গোৱেল ছাৰৰ পৰামৰ্শমতে আমি দুই মাৰ্চত তেওঁক সাক্ষাত কৰিলোগৈ। কিযে অমায়িক-ভদ্ৰ ব্যৱহাৰ; আমি যেন তেখেতৰ পৰিয়ালৰ একোজন সদস্যহে। প্ৰথমে আমাৰ পৰিয়ালৰ খা-খবৰ লোৱাৰ পিছতহে চিকিৎসাৰ কথা আহিল। মন-প্ৰাণ একেবাৰে ভৰি পৰিল। আমাৰ ৰিপ’ৰ্টসমূহ পৰীক্ষা কৰি হাউচ অৱ ডায়গ’নচিচ নামৰ পৰীক্ষাগাৰত ‘পেটস্কেন’ কৰিবলৈ পৰামৰ্শ দিলে। কাৰণ তাত হস্পিটেলতকৈ চাৰ্জ বহুত কম। তেখেতৰ কথা হ’ল— যিমান কমত পৰা যায় চিকিৎসা হওক। ৰোগীৰ প্ৰতি এনে মানৱতা কেইজন চিকিৎসকৰ আছে বাৰু এই বস্তুবাদী জগতত ? পিছদিনা দেউতাৰ ‘পেট্স্কেন’ কৰাই ছাৰক দেখুৱালোগৈ। তেখেতে ৰিপ’ৰ্ট চাই দেউতাক চাৰিটা কেম’ ল’বলৈ পৰামৰ্শ দি ক’য় যে দিল্লীত থাকি কেম’থেৰাপী দিবলৈ হ’লে খৰছ-পাতি বেছি হব। সেয়ে ডিব্ৰুগড় বা গুৱাহাটীত দিয়া উচিত হব।’ কেম’ লোৱাৰ সম্পুৰ্ণ হোৱাৰ পিছত চেকআপৰ বাবে যাবলৈ পৰামৰ্শ দিয়ে।

তেখেতৰ দিহা লৈ আমি ডিব্ৰুগড় আহি পায়েই ডাঃ মৃগাংক বৰুৱাৰ তত্বাৱধানত ভি.জি. হস্পিটেলত কেম’ লওঁ। কিন্তু কেম’ লোৱাৰ সম্পুৰ্ণ হোৱাৰ সময়ছোৱাতে সমগ্ৰ ভাৰততে কৰ’না মহামাৰীৰ ৰোধৰ অৰ্থে লকডাউন হোৱাৰ হেতু ডাঃ গোৱেল ছাৰৰ ‘এমাহৰ পিছত চেকআপৰ বাবে যোৱাৰ পৰামৰ্শ’ কাৰ্যকৰী কৰিব পৰা নগ’ল। এই সংক্ৰান্তত ‘প্ৰতিশ্ৰুতি’ৰ জৰিয়তে গোৱেল ছাৰক অৱগত কৰাত পুনৰ দুটা কেম’ লৈ ‘পেট্স্কেন’ কৰিবলৈ পৰামৰ্শ দিয়ে। উজনি অসমৰ হস্পিটেল বা লেবৰেটৰী যিহেতু এই ‘পেট্স্কেন’ মেচিন উপলব্ধ নহয় সেয়েহে ডাঃ গায়ত্ৰী গগৈ বাইদেওৰ উপদেশমৰ্মে গুৱাহাটীৰ নিউক্লিয়মেড নামৰ প্ৰতিষ্ঠানটিত কৰোৱাই ৰিপ’ৰ্টটো ছাৰলৈ মেইলত প্ৰেৰণ কৰা হয়। ৰিপ’ৰ্ট পৰীক্ষা কৰি ছাৰে গুৱাহাটী হেলথ চিটিত ৰেডিয়েশ্যন কৰিবলৈ পৰামৰ্শ দিয়ে। এই অনুসৰি ‘প্ৰতিশ্ৰুতি’য়ে লৈ দিয়া এপইন্টমেন্টমতে উক্ত হস্পিটেলৰ ডাঃ পংকজ ডেকা ছাৰক সাক্ষাত কৰাত তেখেতে ৰেডিয়েশ্যন বিভাগৰ চিকিৎসকৰ স’তে আলোচনা কৰি সৰ্বমুঠ ৩৫ টা ৰেডিয়েশ্যন আৰু ৬ টা কেম’ দিয়াবলৈ পৰামৰ্শ দিয়ে। সেইমৰ্মে ৩৩ টা ৰেডিয়েশ্যন আৰু ৪ টা কেম’ লোৱাৰ পিছত স্বাস্থ্যৰ কিছু অৱনতি ঘটাত চিকিৎসকৰ পৰামৰ্শমতে ২ টা ৰেডিয়েশ্যন আৰু ২ টা কেম’ লোৱা নহ’ল। ইয়াৰ এমাহৰ পিছত চেকআপৰ বাবে যোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায়। যোৱা ১৯ ছেপ্টেম্বৰত ৰেডিয়েশ্যনৰ চিকিৎসক ডাঃ কে কে নায়কক সাক্ষাত কৰাত সকলো ঠিকে থকাত পুনৰ এমাৰ পাছত চেকআপৰ বাবে যাবলৈ পৰামৰ্শ আগবঢ়ায়। অস্মিতা কলিতাক লগ পোৱাৰ পিছত আমি কোনো চিকিৎসকৰ ওচৰলৈ ‘এপইন্টমেন্ট’ৰ বাবে যাবলগা হোৱা নাছিল। সকলোখিনি ঠিক কৰি দিছিল ‘প্ৰতিশ্ৰুতি’ৰ কৰ্মকৰ্তাসকলে। তেওঁলোকৰ সেৱাৰ বাবে মোৰ দেউতা আজি সম্পুৰ্ণ সুস্থভাৱে জীয়াই আছে আৰু আমিও আনন্দ অনুভৱ কৰিছো। সেয়েহে সংগঠনটোৰ সকলোকে আমাৰ পৰিয়ালৰ ফালৰ পৰা প্ৰণাম জনালো আৰু অনুষ্ঠানটিৰ দীৰ্ঘায়ু কামনা কৰিলো।

■ **গৌৰীশংকৰ গগৈ**
**সোণাৰি, শিৱসাগৰ**

## ‘প্ৰতিশ্ৰুতি’ৰ সহযোগিতাৰ বাবে মই চিৰকৃতজ্ঞ

২০২০ চনটো সমগ্ৰ বিশ্বৰ লাখ লাখ জনসাধাৰণে ভোগ কৰা যাতনাৰ কথা চাগৈ কৈ অন্ত কৰিব নোৱাৰিব। এই কৰ’না মহামাৰীয়ে নিশ্চিতভাৱে এক নতুন ইতিহাস ৰচনা কৰিলে। জীৱন্ত কালতেই মানৱ জাতিয়ে ইয়াক প্ৰত্যক্ষ কৰিবলৈ বাধ্য হ’ল। এই অৱধাৰিত দূৰ্যোগৰ মাজত ময়ো এক জটিল ৰোগত এবছৰ ধৰি ভুগি আছিলো। ২০১৯ চনৰ এপ্ৰিল মাহৰ ৩০ তাৰিখে গুৱাহাটীৰ এগৰাকী নামজ্বলা ইউৰ’লজিষ্টৰ তত্ত্বাৱধানত অ’পাৰেশ্যন হৈছিল। সেই চনৰে মে মাহৰ ১৩ তাৰিখে পুনৰ পৰীক্ষা - নিৰীক্ষা কৰি ইউৰিনেৰি ব্লাডাৰত হোৱা সংক্ৰমণজনিত ঘাঁৰ বাবে পুনৰ অস্ত্ৰোপচাৰ কৰা হ’ল যদিও আগষ্ট-ছেপ্টেম্বৰ মাহলৈকে চিকিৎসা চলিছিল, কিন্তু উপশম নাপালো। অধিক জটিলতাৰহে সৃষ্টি হ’ল। ২০২০ চনৰ মাৰ্চ মাহৰ ৮ তাৰিখে পুনৰ এক্স-ৰে, আলট্ৰাচাউণ্ড আৰু তেজ পৰীক্ষা কৰি সমস্ত ৰিপ’ৰ্টৰ স’তে এজন নাম কৰা আয়ুৰ্বেদ চিকিৎসক জনাৰ্দন বেজবৰুৱাৰ কাষ চাপিলো। তেওঁ মোৰ ৰিপ’ৰ্ট চায়েই ককৰ্থনা কৰি ক’লে যে কিয় ইমান দিনে এই বেমাৰটো লৈ চাই আছো, কাৰণ অতি সংবেদনশীল আভ্যন্তৰীণ অংগটোত হোৱা সংক্ৰমণ যথেষ্ট যন্ত্ৰণাদায়ক। ডাক্তৰ বেজবৰুৱা ছাৰে ক’লে যে মোৰ মূত্ৰাশয়ৰ কৰ্কট ৰোগ হৈছে। ইমান দিনে কোনেও নোকোৱা সৰ্বনাশী ৰোগটোৰ নাম শুনিয়েই মোৰ মূৰত সৰগ ভাগি পৰিল। পৰিয়ালৰ লোকক আৰু মোৰ আত্মীয় মামাৰ ল’ৰা (দাদা) জনক সকলো অৱগত কৰিলো। দাদাই মনত সাহস দিলে আৰু পৰিয়ালৰ সকলোৰে লগত আলোচনা কৰি মুম্বাইত চিকিৎসা কৰাবলৈ উপদেশ দিলে। সেইমতে ২৬ মাৰ্চত মুম্বাইলৈ যাবলৈ সাজু হ’লো। কিন্তু দুৰ্ভাগ্যই যেন মোক লগ নেৰিলে। বিমান উৰণৰ তিনিদিন পূৰ্বেই অৰ্থাৎ ২২ মাৰ্চৰ পৰাই লকডাউন বলৱৎ হ’ল। কোনো বিমানৰ অহা-যোৱা নাছিল বাবে পুনৰ বিনা চিকিৎসাৰে যন্ত্ৰণাৰে দিন কটাবলগীয়া হ’ল। প্ৰতি দিনে দাদাই ফোন কৰি খবৰ লোৱা, মনোবল দিয়া চলি থাকিল। মে’ মাহৰ ১৩ তাৰিখে দাদাই মোক জনালে যে উজনি অসমত ‘প্ৰতিশ্ৰুতি কেন্সাৰ পলিয়েটিভ ট্ৰাষ্ট’ বুলি এটা বেচৰকাৰী সংস্থাই এনে কেন্সাৰ ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰাৰ কথা বাতৰি কাকত আৰু টক্‌শ্ব’ত শুনিবলৈ পাইছিল। দাদাই মোক সংস্থাটোৰ মুৰব্বী মাননীয়া ডাঃ গায়ত্ৰী গগৈৰ বিষয়ে জানিবলৈ ম’বাইল নম্বৰ এটা দিলে। এইছেগতে মোৰ দাদাৰ নাম নোলোৱাকৈ থাকিলে অকৃতজ্ঞ হ’ম, তেখেত অৱসৰপ্ৰাপ্ত বন বিষয়া দিলীপ ভূঞা। ভাগ্যও সুপ্ৰসন্ন হ’ল। ‘প্ৰতিশ্ৰুতি’ৰ ফালৰ পৰা ডাক্তৰ গায়ত্ৰী বাইদেউ, দিপালী বাইদেউ, অস্মিতা বাইদেউ, লুকিমা বাইদেউৰ পৰা সম্পূৰ্ণ সহযোগিতা পোৱা গ’ল। লকডাউনৰ মাজতে সুৰুঙা উলিয়াই ২৫ মে’ৰ পৰা পৰীক্ষা নিৰীক্ষা কৰি গুৱাহাটীৰ হেলথ চিটী হস্পিটেলত ডাক্তৰ পংকজ ডেকাৰ তত্ত্বাৱধানত ৫ জুনত জৰুৰী অপাৰেশ্যন কৰা হ’ল। এটা দীঘলীয়া পৰিক্ৰমা ফোনতেই আৰম্ভ হ’ল। বৰ্তমান মোৰ চাৰিটা কেম’ লোৱা হ’ল আৰু দুটা বাকী আছে। এটা জটিল ৰোগৰ চিকিৎসাত আত্মনিয়োগ কৰা সংস্থাটোৰ বিষয়ববীয়াসকলকে ধৰি ডাক্তৰ গায়ত্ৰী গগৈ বাইদেউ এগৰাকী মানৱদৰদী চিকিৎসক তথা কেন্সাৰ বিশেষজ্ঞ। মই সংস্থাটোলৈ কৃতজ্ঞচিতে ধন্যবাদ জ্ঞাপন কৰিছো।

■ ***চিনু শইকীয়া, নগাঁও***

# লকডাউন কালত ‘প্ৰতিশ্ৰুতি’ৰ কেন্সাৰ বিষয়ক ১৫ খন ৱেবিনাৰ সম্পন্ন


- **কৰবী হাজৰিকা**
- **মুচফি ৰহমান হাজৰিকা**
- **ডালিমী গগৈ**


লকডাউনৰ সময়ছোৱাত জুম মিটিঙৰ জৰিয়তে ‘প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট’ৰ বহুকেইখন প্ৰশিক্ষণকেন্দ্ৰিক ৱেবিনাৰ অনুষ্ঠিত হয়। এই ৱেবিনাৰসমূহত ডাঃ তপন শইকীয়া, মুম্বাই, ডাঃ জীনা ভট্টাচাৰ্য, ডাঃ দীনেশ চন্দ্ৰ গোস্বামী, ডাঃ সংঘমিত্ৰা বৰা, ডাঃ অৰুণ ডেকা, ডাঃ গৌৰৱ দাস, ডাঃ অশোক দাস, ডাঃ কল্পজ্যোতি দত্ত, ডাঃ পংকজ ডেকা, তৰুণ সোনোৱাল, ডাঃ মণিকা শৰ্মা, ডাঃ পি হাছিনা, পূৰবী দাস, দ্বীপেন কলিতা, লুকিমা বৰুৱা, ড° লোপামুদ্ৰা দাস (আমেৰিকা) আদি বিশিষ্ট চিকিৎসক তথা ব্যক্তিয়ে ৱেবিনাৰসমূহত অংশগ্ৰহণ কৰে। ৱেবিনাৰসমূহৰ বিষয়সমূহ আছিল ‘ক’ভিড মহামাৰীৰ সময়ত কেন্সাৰ ৰোগীৰ চিকিৎসা ব্যৱস্থা’, ‘ব্লাড কেন্সাৰৰ চিনাক্তকৰণ আৰু চিকিৎসা প্ৰণালী’, ‘কেন্সাৰ ৰোগীৰ বিষ কিদৰে কমাব পাৰি’, ‘পেইন মেনেজমেন্টত পেলিয়েটিভ টিমৰ ভূমিকা’, ‘বিবিচিআইত স্তন কেন্সাৰৰ চিকিৎসা পদ্ধতি’, জৰায়ু মুখৰ কেন্সাৰ চিনাক্তকৰণ আৰু চিকিৎসাপ্ৰণালী’, ‘মুখগহ্বৰৰ কেন্সাৰৰ ল’বলগীয়া সাৱধানতা ঃ চিকিৎসা আৰু চিনাক্তকৰণ’, ‘কেন্সাৰ ৰোগীৰ খাদ্যাভাস’, ‘কেন্সাৰ ৰোগীৰ বিষয়ে থকা অন্ধবিশ্বাস’ ইত্যাদি। প্ৰতিখন ৱেবিনাৰত নিতৌ ‘প্ৰতিশ্ৰুতি’ৰ অৰ্ধশতাধিক বিষয়ববীয়া আৰু স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে।



‘প্ৰতিশ্ৰুতি’ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস (২০২০) ত সম্বৰ্ধিত ব্যক্তিসকল ক্ৰমে (বাওঁফালৰ পৰা সোঁ ফাললৈ)
*ডাঃ চিদানন্দ ভূএগ্ৰা   হৰি প্ৰসাদ বৰা   ডাঃ কবীন্দ্ৰ ভাগৱতী   দীপালি শইকীয়া*

# Pratishruti Awards and Honours

Foundation Day Celebration is traditionally observed by honouring exemplary and dintinguished services and contribution of individuals and organizations towards Cancer treatment support and Palliative Care. The awards and receipients are as follows :

**Dr. Heremba Kr. Bharali Memorial Award for Outstanding service in Cancer Care**
2017: Dr. Gayatri Gogoi
2018: Dr. Amal Ch. Kataki
2019: Dr. Chidananda Bhuyan
2020: Dr. Tapan Saikia

**Dr. Prahlad Kr. Baruah Memorial Award For Dedicated Service In Palliative Care**
2017: Dr. Dinesh Ch Goswami
2018: Dr. Minoti Borthakur
2019: Mr. Hari Prasad Borah
2020: Pain & Palliative Care Unit, Sate Cancer Institute, Guwahati

**Ashwini Charan Choudhury Memorial Award For Pioneer in Cancer Social Service**
2017: Mr. Debasish Sarma
2018: G. L. Agarwalla
2019: Mr. Homen Borgohain
2020: Makon Bala Dutta Memorial Children's Cancer Trust, Dibrugarh

**Atul Ch. Sonowal Memorial Award For Pratishruti Best Volunteer**
2018: Mr. Himmat Choudhury
2019: Smt. Deepali Saikia

**D. K. Gogoi Shastri Memorial Award For Leadership in Palliative Home Care**
2019: Palliative Care Unit, BBCI, Guwahati
2020: Palliative Home Care Unit, Cachar Cancer Hospital & Research Centre, Silchar

## Pratishruti Internal Category Awards for Best Contribution in the year 2020

These awards are given to acknowledge significant contribution by Pratishruti Members. This is also to inspire members to contribute to the growth of Pratishruti in the future.

**A. The Most Contributing Consultant 2020**
- Dr. Foujia S. Hakeem
- Dr. Mriganka Baruah
- Dr. Nitu Kr. Das
- Dr. Pankaj Deka
- Dr. Ramesh Saharia
- Dr. Dhrubajyoti Bhuyan

**B. Pratishruti Award For Special Contribution 2020**
- Mr. Ratan Hazarika

**C. The Most Resourceful Member 2020**
- Mrs. Asmita Kalita

**D. Pratishruti Outstanding Donor Mobilizer 2020**
- Mrs. Moushumi Borgohain Gogoi

**E. Pratishruti Award for Best Palliative Volunteer 2020**
- Mr. Tarun Sonowal

**F. Pratishruti Award for most consistently Supporting Organization-2020**
- Dibrugarh Zila Mahila Samiti

**G. Pratishruti Most Active Donor-2020**
- Labanya Lahan Chutia

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# ত্যাগ-সেৱাৰ স্বীকৃতিৰে চাৰি ব্যক্তিক

প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ ড° নগেন শইকীয়া। উল্লেখ্য যে ত্যাগ আৰু একাগ্ৰতাৰে কৰ্কট ৰোগৰ চিকিৎসা, সামাজিক সহায়, উপশমী চিকিৎসা আৰু শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ ক্ষেত্ৰত অন্যতম অৱদান আগবঢ়োৱা আদি পাঁচটা শিতানত ৰাজ্যৰ পাঁচগৰাকী ব্যক্তিক কৰ্মৰ সামাজিক স্বীকৃতি প্ৰদান কৰি উক্ত অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুসৰি ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত ৰাজ্যৰ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ডেৰ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডাঃ হেৰেম্ব কুমাৰ ভৰালী সোঁৱৰণী উৎকৃষ্ট চিকিৎসা সেৱা বঁটা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মেডিকেল অংক'লজিষ্ট তথা গুৱাহাটী বি বৰুৱা কেন্সাৰ ইন্সটিটিউটৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ চিদানন্দ ভূঞাক, ড° প্ৰহ্লাদ কুমাৰ বৰুৱা সোঁৱৰণী উপশমী সেৱা বঁটা পেলিয়েটিভ কেয়াৰৰ সম্পৰ্কত অসমৰ প্ৰথমগৰাকী কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তি তথা গুৱাহাটী পেইন এণ্ড পেলিয়েটিভ কেয়াৰ চ'ছাইটীৰ অতিৰিক্ত সম্পাদক হৰিপ্ৰসাদ বৰাক, অতুল সোনোৱাল সোঁৱৰণী 'প্ৰতিশ্ৰুতি'ৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ বঁটা ডিব্ৰুগড় জিলা মহিলা সমিতিৰ সাধাৰণ সম্পাদিকা তথা বিশিষ্ট সমাজকৰ্মী দীপালি শইকীয়াক আৰু এই বছৰৰ পৰা সংগঠনটোৱে নতুনকৈ প্ৰদান কৰা ডি কে গগৈ শাস্ত্ৰী সোঁৱৰণী ঘৰুৱা উপশমী চিকিৎসা নেতৃত্ব বঁটা, গুৱাহাটীৰ পেইন এণ্ড পেলিয়েটিভ কেয়াৰ বিভাগ, বি বৰুৱা কেন্সাৰ ইন্সটিটিউটৰ মুৰব্বী চিকিৎসক ডাঃ কবীন্দ্ৰ ভাগৱতীক প্ৰদান কৰা হয়। শৰাইত গুৱা-পাণ আৰু নিম্নতম অৰিহনাসহ এই বঁটাৰ সতে কেউগৰাকীকে ফুলাম গামোছাসহ একোখনকৈ মানপত্ৰ, গছপুলি, গ্ৰন্থৰ টোপোলা, গলবস্ত্ৰ, স্মাৰক আৰু 'প্ৰতিশ্ৰুতি'ৰ স্মাৰক প্ৰদান কৰা হয়। সভাত কেউগৰাকী বঁটাপ্ৰাপকে নিজৰ অনুভৱ ব্যক্ত কৰি 'প্ৰতিশ্ৰুতি'য়ে উজনি অসমত কৰি অহা কাম-কাজৰ শলাগ লয়। উল্লেখ্য যে অশ্চিনী চৰন চৌধুৰী সোঁৱৰণী সৰ্বোত্তম কৰ্কট ৰোগৰ সমাজসেৱা বঁটাপ্ৰাপক প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞি স্বাস্থ্যজনিত কাৰণত সভাত অনুপস্থিত থকাৰ হেতুকে তেখেতক গুৱাহাটীৰ বাসগৃহত প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। 'প্ৰতিশ্ৰুতি'ৰ যুটীয়া সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই আঁতধৰা সভাত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি আৰু সভা উদ্বোধন কৰে কুৰিৰো অধিক গ্ৰন্থৰ প্ৰণেতা, নাট্যকাৰ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়াই। 'প্ৰতিশ্ৰুতি'ৰ সম্পাদিকা পান্না ভৰালীয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে সংগঠনটোৰ উপ সভাপতি তথা এএমচিএইচৰ স্ত্ৰীৰোগ বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডাঃ ৰীনা আহমেদে। অনুষ্ঠানত প্ৰতিশ্ৰুতিৰ কাম-কাজৰ সম্পৰ্কত চমুকৈ আলোকপাত কৰে সংগঠনটোৰ অনুষ্ঠান সঞ্চালক, কেন্সাৰ গৱেষক তথা বিশিষ্ট লেখিকা ডাঃ গায়ত্ৰী গগৈয়ে। উক্ত অনুষ্ঠানতে 'প্ৰতিশ্ৰুতি'ৰ ২০১৯ বৰ্ষৰ আভ্যন্তৰীণ বঁটাসমূহো ঘোষণা কৰা হয়। এই অনুসৰি এই বছৰৰ বাবে দ্য ম'ষ্ট কণ্ট্ৰিবিউটিং কনচাল্টেন্ট বঁটা লাভ কৰে ডাঃ জি এছ বৰগোহাঁই, ডাঃ সিদ্ধাৰ্থ শৰ্মা আৰু ডাঃ গৌতম শৰ্মাই। সেইদৰে দ্য ম'ষ্ট কণ্ট্ৰিবিউটিং নাৰ্চ বঁটা লাভ কৰে ডালিমী গগৈয়ে। দ্য ম'ষ্ট ৰিচ'ৰ্চ মেম্বাৰ বঁটা লাভ কৰে মঞ্জুলা আগৰৱালে। দ্য লিডিং পাব্লিক ম'বিলাইজাৰ বঁটা লাভ কৰে বিশিষ্ট সমাজকৰ্মী নিৰঞ্জন বাগাৰিয়াই। প্ৰতিশ্ৰুতিৰ হোম কেয়াৰ বঁটা লাভ কৰে ৰাজিব বিন কুটুবে। আনহাতে সক্ৰিয়ভাৱে সহযোগিতা কৰা অনুষ্ঠানৰ বঁটা লাভ কৰে ডিএইচএছকে কলেজে। কলেজখনৰ হৈ বঁটাটি গ্ৰহণ কৰে অধ্যক্ষ ড° শশী কান্ত শইকীয়াই। বঁটা প্ৰাপকসকলক প্ৰত্যেককে একোখনকৈ মানপত্ৰ, আৰনাই, গছপুলি আৰু স্মাৰকেৰে অভিনন্দন জ্ঞাপন কৰা হয়।

# 'প্ৰতিশ্ৰুতি'ৰ হেল্পলাইন

ৰোগী আৰু পৰিয়ালবৰ্গই চিকিৎসা সম্পৰ্কীয় পৰামৰ্শ গ্ৰহণ তথা ৰোগীৰ মানসিক-সামাজিক দিশৰ সম্পৰ্কত আমাক জ্ঞাত কৰে। ৰোগীৰ তথ্যৰ ওপৰত ভিত্তি কৰি সহায়ক হোৱাকৈ অৰ্থনৈতিক দিশ সম্পৰ্কীয় চৰকাৰী বিভিন্ন আঁচনি আৰু খাদ্য সম্পৰ্কীয় পৰামৰ্শও লাভ কৰে। 'প্ৰতিশ্ৰুতি'ৰ স্বেচ্ছাসেৱকসকলে সকলো সময়তে 'হেল্পলাইন'ত পঞ্জীয়ন হোৱা ৰোগীৰ খা-খবৰ লৈ থকাৰ লগতে ডিব্ৰুগড়, গুৱাহাটী, দিল্লী, মুম্বাই, আদিত 'প্ৰতিশ্ৰুতি'ৰ পেনেলত থকা চিকিৎসকলৰ স'তে 'এপইন্টমেন্ট লোৱাকে ধৰি অন্যান্য যাৱতীয় পৰামৰ্শ আগবঢ়োৱা হয়। সকলো ৰোগী বা আত্মীয়ই যিহেতু চৰকাৰী আঁচনিসমূহৰ বিষয়ে জ্ঞাত নহ'য় সেইবাবে এইসমূহৰ লগতে চিকিৎসা সম্পৰ্কীয় চৰকাৰী আঁচনি যেনে অটল অমৃত কাৰ্ড, আয়ুষ্মান ভাৰত কাৰ্ড, মুখ্যমন্ত্ৰী পুঁজি, বিধায়ক পুঁজি আদি কিদৰে আবেদন কৰিব লাগে সেই সম্পৰ্কত বুজাই দিয়া হয়। আকৌ যিসকল কৰ্কট ৰোগীয়ে কেম' বা ৰেডিয়েশ্যন ল'বলৈ কোনো আত্মীয় নেথাকে তেওঁলোকক আমাৰ স্বেচ্ছাসেৱকসকলে গৈ সহায় কৰি দিয়ে। প্ৰয়োজনসাপেক্ষে সংকটজনক অৱস্থাত থকা ৰোগীক নিজে তেজ দান দিয়ে অথবা যোগান ধৰাত সহায় কৰে। তদুপৰি যিসকল ৰোগীক খাদ্য সম্পৰ্কীয় পৰামৰ্শ লাগে তেওঁলোকক 'প্ৰতিশ্ৰুতি'ৰ ডায়েটিচিয়ানে খাদ্যৰ তালিকাৰো প্ৰস্তুত কৰি দিয়ে। আনহাতে যিসকল ৰোগীয়ে নিজে তেজ পৰীক্ষাকে ধৰি অন্যান্য পৰীক্ষাসমূহ লেবৰেটৰী বা হস্পিটেলত কৰিবলৈ অসমৰ্থ তেওঁলোকক ঘৰৰ পৰাই নমুনা লৈ ৰেহাই মূল্যত কৰি দিয়াৰ সুবিধাও প্ৰদান কৰা হয়। তাৰোপৰি ৰোগৰ চিনাক্তকৰণত হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰোগীৰ পৰিয়ালক এইক্ষেত্ৰত সঘনাই যাৱতীয় পৰামৰ্শ আগবঢ়োৱা হয়। বৰ্তমানলৈকে আমাৰ 'প্ৰতিশ্ৰুতি'ৰ হেল্পলাইনত পঞ্জীয়ন হোৱা ৰোগীৰ সংখ্যা হৈছে ৪৮০ গৰাকী। হেল্পলাইনত ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অহা ফোনকলৰ সংখ্যা হৈছে ১,১০০ টাৰো অধিক। এই কাম অনাগত দিনতো অব্যাহত থাকিব।

# 'প্ৰতিশ্ৰুতি'ৰ ক'ভিডকালীন সেৱা

**■ দীপালি শইকীয়া**

ক'ভিড-১৯ মহামাৰীয়ে যোৱা মাৰ্চ মাহৰ পৰা যি বিভীষিকাৰ সৃষ্টি কৰিছিল সেইসময়ত কেন্সাৰ ৰোগীৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি 'প্ৰতিশ্ৰুতি'ৰ হেল্পলাইনত বহুতো ৰোগীয়ে ফোন কৰি 'প্ৰতিশ্ৰুতি'ৰ চিকিৎসকৰ পৰা দিহা-পৰামৰ্শ লৈছিল। প্ৰয়োজনসাপেক্ষে ৰোগীসকলৰ লগত ভিডিঅ' কলৰ জৰিয়তে স্বাস্থ্যৰ বুজ লৈছিল। টেলি মেডিচিন ব্যৱস্থাৰ দ্বাৰা 'প্ৰতিশ্ৰুতি'ৰ ঘৰুৱা উপশমী চিকিৎসা আৰু কেন্সাৰ চিকিৎসা পাই থকা ৰোগীসকলো উপকৃত হৈছিল। লকডাউনৰ সময়ত যিসকল কৰ্কট ৰোগীয়ে চিকিৎসা আৰু চেকআপৰ বাবে গুৱাহাটীকে ধৰি ৰাজ্যৰ বাহিৰলৈ যাব পৰা নাছিল তেওঁলোকৰ চিকিৎসা ডিব্ৰুগড়তে কৰাত আগভাগ লৈছিল 'প্ৰতিশ্ৰুতি'য়ে। বিশেষকৈ উত্তৰ লক্ষীমপুৰ, ধেমাজি আৰু ডিব্ৰুগড় আদি জিলাৰ ভিতৰুৱা অঞ্চলৰ পৰা অসম চিকিৎসা মহাবিদ্যালয়কে ধৰি অন্যান্য চিকিৎসা প্ৰতিষ্ঠানত চিকিৎসাৰ বাবে অহাৰ সুবিধা হোৱাকৈ 'প্ৰতিশ্ৰুতি'ৰ তৰফৰ পৰা যাৱতীয় যাতায়াতৰ সেৱা আগবঢ়োৱা হৈছিল। এইক্ষেত্ৰত সহায় কৰিছিল ডিব্ৰুগড় আৰু ধেমাজি জিলাৰ উপায়ুক্ত ক্ৰমে পল্লৱ গোপাল ঝা আৰু নাৰ্চিং পাৱাৰে। ধেমাজি জিলাৰ সক্ৰিয় কৰ্মী তথা 'দাতা' লাৱন্য লাহন চুতীয়াই সংযোজক হিচাপে বিশেষভাৱে সহযোগিতা আগবঢ়ায়। আনহাতে 'প্ৰতিশ্ৰুতি'ৰ পেনেলৰ চিকিৎসক ক্ৰমে ডাঃ ফৌজিয়া এছ হাকিম, ডাঃ দীপশিখা ঠেঙাল, ডাঃ গায়ত্ৰী গগৈ, ডাঃ ৰীনা আহমেদ, ডাঃ জি এছ বৰগোহাঁই, ডাঃ ৰাজু দামানী, ডাঃ ৰমেশ চহৰীয়া আদিয়ে। চিকিৎসাৰ ক্ষেত্ৰত যি সহযোগিতা আগবঢ়ালে সেয়া 'প্ৰতিশ্ৰুতি'য়ে মনত ৰাখিব। আনহাতে এই কামত অহৰহ ব্যস্ত হৈ 'প্ৰতিশ্ৰুতি'ৰ সমূহ স্বেচ্ছাসেৱকে সহযোগিতা কৰি ৰোগী তথা ৰোগীৰ পৰিয়ালবৰ্গৰ ওচৰত থিয় দিলে। সংকটকালীন সময়ত লগ দিয়া সংশ্লিষ্টসকল নিশ্চয়কৈ ধন্যবাদৰ পাত্ৰ।

# ক'ভিড যোদ্ধা-স্বেচ্ছাসেৱকক সম্বৰ্ধনা

**■ ৰাজিব বিন কুটুব**

বিগত প্ৰায় ছমাহ ধৰি 'প্ৰতিশ্ৰুতি' আৰু অসম আৰক্ষীৰ সহযোগত সফল সম্পন্ন হোৱা 'ক'ভিড ছেন্টিনেল মনিটৰিং প্ৰকল্প'ৰ লগত জৰিত থকা ৩৭০ গৰাকী স্বেচ্ছাসেৱকক সম্বৰ্ধনা জ্ঞাপনৰ উদ্দেশ্যে যোৱা ১১ অক্টোবৰত ডিব্ৰুগড়ত আৰু ৮ নবেম্বৰত সুকীয়াকৈ দুটা অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ লায়ন্সছ্ ক্লাবৰ প্ৰেক্ষাগৃহত আয়োজিত উক্ত অনুষ্ঠানত আই চি এম আৰৰ বিজ্ঞানী ডাঃ বিশ্বজ্যোতি বৰকাকতি আৰু ধেমাজি জিলাৰ আৰক্ষী অধীক্ষক তথা চিকিৎসক ডাঃ ধনঞ্জয় ঘনাৱটক বিশেষভাৱে ক'ভিড যোদ্ধা হিচাপে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে গুৱাহাটীত অনুষ্ঠিত অনুষ্ঠানত কামৰূপ মেট্ৰ'ত 'প্ৰতিশ্ৰুতি'য়ে চলোৱা প্ৰকল্পৰ মূল ব্যক্তি অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক 'প্ৰতিশ্ৰুতি'ৰ তৰফৰ পৰা মানপত্ৰ আৰু স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# Pratishruti Consultant Team

One of the Core strength of Pratishruti Free Services are bestowed on to honorary Consultation of Doctors

**Consultant Advisory Board**
Dr. Chidananda Bhuyan
Dr. Sanjeeb Kakaty
Dr. Jina Bhattacharyya
Dr. Pranay Phukan
Dr. Hemonta Dutta

**Gynaecology Consultants:**
Dr. Dhurjyoti Nandan Das
Dr. Pankaj Deka

**Onco-imaging Consultant:**
Dr. Rudra Kanta Gogoi
Dr. Pronami Bora
Dr. Deb Kumar Baruah

**Radiation Oncology Consultant:**
Dr. Gautam Sarma

**Surgery & Surgical Oncology Consultant:**
Dr. Ramesh Saharia
Dr. Gunabhi Ram Das
Dr. Gaurav Das

**Neuro Surgery Consultant:**
Dr. Nitu Kr. Das
Dr. Dhrubajyoti Kurmi

**Dental Surgery Consultant:**
Dr. Siddharth Sharma
Dr. Pratyushman Hazarika
Dr. Samudra Dev Sarma

**Specialist Medicine Consultant:**
Dr. Pranjal Dutta
Dr. Mriganka Baruah
Dr. Anil Kalita

**Medical Oncology Consultant:**
Dr. Kunjahari Medhi
Dr. Sumit Goyal
Dr. Anupam Mahanta

**Head and Neck Oncology Consultant:**
Dr. Ashok Das

**Paediatric Oncology Consultant:**
Dr. Jolly Rabha

**Nuclear Medicine Consultant:**
Dr. Sandeep Taparia

**Specialist Haemotology Consultant:**
Dr. Asif Iqbal

**Specialist Psychology Consultant:**
Dr. Dhrubajyoti Bhuyan

**Palliative Care consultant:**
Dr. Kabindra Bhagawati
Dr. Arun Deka

**Laboratory Medicine Consultant**
Dr. Mondita Borgohain
Dr. Malabika Saikia
Dr. Anupam Sarma

**Research Pannel**
Dr. Biswajyoti Borkakoty
Dr. Dhananjay Ghanwat
Dr. Rashmi Ahmed

**Pharmacy Consultant**
**Dr. Jibon Gogoi**

**Nutrition & Diet Consultant**
**Mrs. Lukima Baruah**

**Physiotherapy Consultant**
**Mr. Wasim Haque**

# Supporting Organizations

Praishruti believes in networking with like minded organizations to make a better impact of its services. To overcome the tremendous challenges in the areas of cancer care and support, joining hands with other professional, non professional organizations, government and non government organizations is a feasible option for betterment of services and to reach out to larger, needy and weaker sections of the society.

- State Bank of India (Administrative Office, Dibrugarh)
- Assam Police
- Dr. B. Barooah Cancer Institute, Guwahati (BBCI)
- Deepsikha Foundation
- District Health Society, DBR
- Milan Jyoti Sangha
- Dibrugarh Zila Mahila Samiti
- AASU, Dibrugarh
- Lions Club of Brahamputra Valley, Dibrugarh
- MGM Hospitals (Cancer treatment and consultation)
- Sruti Shilpi Samaj, DBR
- Anayan : The Habit, DBR
- Guwahati Pain & Palliative Care Society
- Matrix Polyclinic & Advance Diagnostic Centre, Sivasagar
- DHSK College, Dibrugarh
- Nucleomed Imaging and Diagnostic, Guwahati
- Health City Hospital, Guwahati
- Indian Medical Association (IMA), Assam, State Branch
- Red Cross Society, Margherita Sub-Dist. Branch
- Assocaition of Oncology of North East India (AONEI)
- Medicare Diagnostics & Hospital, Dibrugarh
- H.M. Hospital & Diagnostic Centre, Dibrugarh
- *Media Partners*
  - Prag News Assam
  - Pratidin Times
  - Amar Asom
  - Asom Aditya
  - Dibrugarh Press Club
  - Greater Dibrugarh Press Club

প্ৰথম পৃষ্ঠাৰ পৰা...

# লক্ষ্য প্ৰাপ্তি আৰু প্ৰত্যাহ্বান

শিৰত লৈ আৰু গভীৰ বিশ্বাসৰ অংগীকাৰ বুকুত বান্ধি একত্ৰিত হৈ ৰুইছিল ‘প্ৰতিশ্ৰুতি’ নামৰ এটি গছপুলি কেন্সাৰ আৰু উপশমী সেৱাৰ ক্ষেত্ৰত সমাজৰ এক বিশেষ প্ৰকাৰৰ সেৱা আগবঢ়াবলৈ। ‘প্ৰতিশ্ৰুতি’ নামৰ গছপুলিটো ঠন ধৰি উঠি শিপাবোৰে শক্তিশালীভাৱে সমাজখনৰ মাটিত খামোচ মাৰি ধৰিলে। তাৰ কাৰণ হ’ল মানুহৰ সততা, নিষ্ঠা আৰু যিকোনো পৰিস্থিতিত অবিচলিত হৈ থকাৰ মনোবল।

‘প্ৰতিশ্ৰুতি’ৰ লক্ষ্য-উদ্দেশ্য আৰু কৰ্ম সমাজৰ বাবে গুৰুত্বপূৰ্ণ হোৱাত নিজৰ দায়বদ্ধতা স্বীকাৰ কৰি এইক্ষেত্ৰত অৰিহনা যোগাবলৈ অৰ্ধ শতাধিক চিকিৎসক, তিনিশৰো অধিক স্বেচ্ছাসেৱক, চাৰিশৰো অধিক আৰ্থিক বৰঙনি আগবঢ়োৱা দাতা জৰিত হৈ পৰিল। কেন্সাৰ ৰোগৰ চিকিৎসা ল’বলৈ দিক-বিদিক হেৰুৱাই পেলোৱা লোকক সঠিক পৰামৰ্শ উপযুক্ত, সহায়-সহযোগিতা প্ৰদান কৰিবলৈ দুটা ‘হেল্পলাইন’ৰ শুভাৰম্ভ হ’ল ২০১৮ চনৰ প্ৰতিষ্ঠা দিৱসত। সমান্তৰালভাৱে আৰম্ভ হৈছিল ঘৰুৱা উপশমী সেৱা প্ৰকল্প; যাৰ যোগেদি যন্ত্ৰণাকাতৰ, নিৰাশ, অসহায় ৰোগী তথা পৰিয়ালে বিনামূলীয়াকৈ সেৱা তথা পৰামৰ্শ লাভ কৰিব। প্ৰাৰম্ভিক দিনৰে পৰা ‘প্ৰতিশ্ৰুতি’য়ে কেন্সাৰ ৰোগৰ সজাগতা আৰু চিনাক্তকৰণ শিবিৰ আয়োজন কৰি ৰাইজৰ মাজত সজাগতা-প্ৰচাৰত বিশেষ ভূমিকা পালন কৰি আহিছে। কিন্তু উদ্দেশ্য অধিক ফলপ্ৰসূ কৰি তোলাৰ উদ্দেশ্যে বিগত বৰ্ষৰ প্ৰতিষ্ঠা দিৱসত ৰাজ্যজুৰি সজাগতা কাৰ্যসূচী ৰূপায়ন কৰিবলৈ প্ৰকল্প গ্ৰহণ কৰা হল। এই কাৰ্যসূচীত ‘চেভ লাইভ ব্ৰেণ্ড এম্বেচাদৰ’ হিচাপে দায়িত্ব ল’বলৈ আগবাঢ়ি আহিল অসমৰ বোলছবি জগতৰ জনপ্ৰিয় অভিনেত্ৰী, সমাজ সচেতন অসমীয়া বৰষা ৰাণী বিষয়া। ‘প্ৰতিশ্ৰুতি’য়ে শূন্যৰ পৰা কাম আৰম্ভ কৰি বৰ্তমান উপশমী চিকিৎসাৰ বিভিন্ন কৰ্মশালা, অধিৱেশন, প্ৰশিক্ষণ আৰু আন্তঃৰাষ্ট্ৰীয় উপশমী সেৱা অধিৱেশনত নিজৰ কামৰ খতিয়ান দিবলৈ আমন্ত্ৰিত হৈছে। তাতেই কেবাখনো গৱেষণা পত্ৰ পাঠ-প্ৰদৰ্শন কৰিছে। এই বিষয়বোৰৰ চমু আভাষ দাঙি ধৰিবলৈ এই ‘বাৰ্ষিক মুখপত্ৰ’ প্ৰকাশৰ ব্যৱস্থা কৰি অহা হৈছে। ‘প্ৰতিশ্ৰুতি’ৰ তিনিটা স্তম্ভ হৈছে —প্ৰথম ঃ ‘প্ৰতিশ্ৰুতি’ৰ বিষয়ববীয়া, সদস্য আৰু স্বেচ্ছাসেৱকসকল, দ্বিতীয়তে ঃ অবৈতনিকভাৱে সহযোগিতা আগবঢ়োৱা চিকিৎসকসকল আৰু তৃতীয়তে ঃ দয়া-কৰুণাৰে সিক্ত হৃদয়ৰ গৰাকী, আমাক আৰ্থিকভাৱে সহায় কৰি ৰোগীৰ চিকিৎসাৰ সকাহ অথবা উপশমী সেৱাৰ সুবিধা নিৰৱিচ্ছিন্ন কৰাত ভূমিকা গ্ৰহণ মাননীয় দাতাসকল।

২০২০ চন। কৰ্মময় অন্য এক বছৰৰ পাতনি মেলিছিলোহে মাত্ৰ। পৃথিৱীত এশ বছৰে নোহোৱা এক অতিমাৰীয়ে গ্ৰাস কৰিলে। ক’ভিড-১৯ অতিমাৰীয়ে সমাজৰ প্ৰতিজন মানুহৰ জীৱনধাৰা, প্ৰতিটো দিশেই আক্ৰান্ত হ’ল। আমাৰ সংস্থাৰ বিশেষত্ব এয়ে যে কোনো কঠিন প্ৰত্যাহ্বানক স্তব্ধ নহৈ নতুন পথৰ সন্ধান কৰিব পৰা সাহস আৰু সৃজনীশূলতা। মই ব্যক্তিগতভাৱে ক’ভিডৰ হোম কোৱাৰেন্টাইন আৰু হোম আইছ’লেশ্যনত থকা ব্যক্তিৰ নিৰীক্ষণৰ মডেল প্ৰস্তুত কৰিলো দুৰনীবটীয়া পদ্ধতি ব্যৱহাৰ কৰি। প্ৰথমতে ধেমাজি জিলা প্ৰশাসন আৰু আৰু জিলা আৰক্ষী অধীক্ষকৰ সহযোগত সফলভাৱে ‘প্ৰতিশ্ৰুতি’য়ে নিৰীক্ষণ সম্পুৰ্ণ কৰিলে। যাৰ ফলত মে’ মাহত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ পৰা কামৰূপ মেট্ৰ’ৰ হোম কোৱাৰেন্টাইন আৰু হোম আইছ’লেশ্যন নিৰীক্ষণত অংশীদাৰ হ’বলৈ। অভাৱনীয় ক’ভিড পৰিস্থিতি যেনেকৈ পৃথিৱী জুৰি আহিল আমিও তেনেকৈ অভাৱনীভাৱে এক বৃহৎ তীব্ৰ প্ৰত্যাহ্বানমূলক প্ৰকল্প হাতত ললো। কোনেও নিৰ্দিষ্ট পুঁজি দিব বা পাম বুলি আমি নিশ্চিত নাছিলো। তথাপি শূন্যৰ পৰা কেনেকৈ কাম কৰিব লাগে ‘প্ৰতিশ্ৰুতি’ৰ বিষয়ববীয়াসকলে জানে। যি আছে তাৰ পৰাই আৰম্ভ হ’ল আমাৰ ‘ক’ভিড চেন্টিনেল প্ৰকল্প’ৰ যাত্ৰা। ধেমাজি জিলাৰ আৰক্ষী অধীক্ষক ধনঞ্জয় ঘনাৱটে প্ৰকল্পৰ শক্তিশালী অংশীদাৰ ৰূপত অৱতীৰ্ণ হ’ল। এইক্ষেত্ৰত ‘প্ৰতিশ্ৰুতি’ৰ সম্পাদিকা পান্না ভৰালী, যুটীয়া সম্পাদক ৰাজিৰ বিন কুটুব, কোষাধ্যক্ষা মঞ্জুলা আগৰৱাল আৰু কাৰ্যনিৰ্বাহক সদস্যা অস্মিতা কলিতাই বিশেষভাৱে দিনটোৰ চৌব্বিশ ঘন্টাই ৩৭০ গৰাকী স্বেচ্ছাসেৱক সহিতে এই কামত আত্মনিয়োগ কৰে। মই ব্যক্তিগতভাৱে এই কামত নেতৃত্ব দিবলৈ ভীষণ কষ্ট স্বীকাৰ কৰিবলগা হৈছিল; যিহেতু মই চিকিৎসক হিচাপে বিভাগীয় ক’ভিডৰ জৰুৰীকালীন দায়িত্বতো নিয়োজিত আছিলো। এই প্ৰকল্পই প্ৰায় ৪০ হেজাৰ হোম কোৱাৰেন্টাইন আৰু হোম আইছ’লেশ্যনত থকা মানুহক নিৰীক্ষণ, বিভিন্ন সহায়, তথ্য সংগ্ৰহ আৰু গৱেষণাৰ সমল সংগ্ৰহ কৰিলে। এই লেখাত প্ৰকল্পৰ ছবিখন দাঙি ধৰাৰ বাবে ঠাইৰ অভাৱ। কিন্তু মোৰ জীৱনৰ ই এক বৃহৎ প্ৰকল্প আৰু ‘প্ৰতিশ্ৰুতি’ৰ বাবেও ছয় মাহত সম্পন্ন কৰা এক প্ৰকল্প, য’ত ৩৭০ গৰাকী স্বেচ্ছাসেৱক, ৪০০ ৰো অধিক ৱেবিনাৰ, ক’ভিড চেন্টিনেল এপ্ আৰু গুগুল ফৰ্ম ব্যৱহাৰ কৰি প্ৰতিটো মূহূৰ্তত তথ্য উলিয়াব পৰা অত্যাধুনিক পদ্ধতিযুক্ত সৰ্ববৃহৎ প্ৰকল্প।

ক’ভিডৰ বাবে লকডাউনৰ সময়ছোৱাত ‘প্ৰতিশ্ৰুতি’য়ে নিত্য-নতুন উপায়েৰে বিভিন্নজনক সহায় কৰি দিছিল। ৰোগীৰ চিকিৎসা, উপশমী সেৱা, প্ৰশিক্ষণৰ বাবে ৱেবিনাৰ ইত্যাদি। ৰোগীৰ বাবে এম্বুলেন্সৰ সুবিধা প্ৰদান কৰা হৈছিল আৰু এইক্ষেত্ৰত ডিব্ৰুগড় আৰু ধেমাজি জিলা প্ৰশাসনে বিশেষভাৱে সহায় কৰিছিল।

অনাগত দিনবোৰত ‘প্ৰতিশ্ৰুতি’য়ে নিজৰ ক্ষমতা আৰু সীমাবদ্ধতাৰ মাজেৰেই সমাজৰ সেৱা নিশ্চিত কৰিব। ‘প্ৰতিশ্ৰুতি’য়ে নিজে সমাজৰ পৰা কৃতজ্ঞতা আৰু উৎসাহ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে বিশ্ব কেন্সাৰ দিৱসৰ দিনটো (৪ ফেব্ৰুৱাৰী)ত অসম বিজ্ঞান সমিতি আৰু ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ তৰফৰ পৰা ‘প্ৰতিশ্ৰুতি’ৰ সম্পাদিকা পান্না ভৰালী আৰু ডাঃ গায়ত্ৰী গগৈক সন্মানিত কৰিছিল। তদুপৰি ডিব্ৰুগড়ৰ ‘শ্ৰুতি শিল্পী সমাজ’ এ পান্না ভৰালীক আৰু অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানে সন্মানসহ বিশেষ প্ৰমাণপত্ৰসহ প্ৰদান কৰিছে। ‘প্ৰতিশ্ৰুতি’ৰ সভাপতি ড° অলক কুমাৰ বুঢ়াগোহাঁই ছাৰক চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় উপশমী সেৱা সন্মিলনৰ উদ্বোধনী ভাষণ প্ৰদানৰ বাবে আমন্ত্ৰণ কৰিছিল।

যোৱা সময়ছোৱাত আমি আমাৰ স’তে যুক্ত হৈ থকা বহু ৰোগীক হেৰুৱালো। বহুজনৰ বাবে সেৱা আগবঢ়াব পাৰিলো যদিও বহুজনক বিশেষকৈ ক’ভিড পৰিস্থিতিৰ বাবে সেৱা আগবঢ়াব নোৱাৰিলো। তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক—তাকে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো। অনাগত বছৰটোত আমি অধিক উদ্যম আৰু কৰ্মদক্ষতাৰে দুৰ্গত অসহায়জনৰ সেৱা কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।


## দাতা পৰিয়ালৰ শুভেচ্ছা

যিসকল ব্যক্তিয়ে সমগ্ৰ জীৱনজুৰি উপশমী সেৱাৰ স’তে জৰিত হৈ ৰোগীৰ অবৰ্ণনীয় দুখ-যন্ত্ৰণা নিৰাময়ৰ কামত ব্ৰতী হৈ আহিছে তেওঁলোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ‘প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট, ডিব্ৰুগড়’ এ আগবঢ়োৱা ‘ড° প্ৰহ্লাদ কুমাৰ বৰুৱা ‘উপশমী চিকিৎসা বঁটা এইবাৰ চতুৰ্থ বৰ্ষত উপনীত হৈছেহি। জীৱনকালত গভীৰ জীৱনবীক্ষা সম্বলিত লেখাৰ মাজেৰে সহস্ৰজনৰ মানসিক গ্লানি উপশম কৰোৱা দেউতাৰ সোঁৱৰনত ‘কৰ্কট ৰোগীৰ উপশমী চিকিৎসা বঁটা’ আগবঢ়াবলৈ পাই আমি অত্যন্ত আনন্দিত। এনে এক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে এই আপাহতে পৰিয়ালৰ তৰফৰ পৰা ‘প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট’ক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত ট্ৰাষ্টৰ প্ৰতিষ্ঠা দিৱস আৰু বঁটা প্ৰদান অনুষ্ঠানৰ সফল সমাপনৰ কামনা কৰিলো।

প্ৰয়াত ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ পৰিয়ালবৰ্গৰ হৈ—

**মৌচুম বৰুৱা, পুত্ৰ**

**ৰূপনগৰ, ডিব্ৰুগড়।**

# আলোকচিত্ৰৰে ‘প্ৰতিশ্ৰুতি’ৰ ২০২০ বৰ্ষৰ কেইটামান মূহুৰ্ত



ইণ্ডিয়ান এছ’চিয়েছ্ন অৱ পেলিয়েটিভ কেয়াৰৰ ২৭ সংখ্যক আন্তঃৰাষ্ট্ৰীয় অধিৱেশনত ‘প্ৰতিশ্ৰুতি’ৰ সভাপতি ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে আয়োজকৰ হৈ সম্বৰ্ধনা জনাইছে পদ্মশ্ৰী ডাঃ ৰবি কান্নানক, ১৪-১৬ ফেব্ৰুৱাৰীত, গুৱাহাটীত।



কামৰূপ মেট্ৰ’ত ৰূপায়ন কৰা ‘ক’ভিড ছেণ্টিনেল প্ৰকল্প’ৰ অন্যতম সহযোগী অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তক ‘প্ৰতিশ্ৰুতি’ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন, ৮ নৱেম্বৰত, গুৱাহাটীত।



‘প্ৰতিশ্ৰুতি’ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত ‘নিউজলেটাৰ’ৰ প্ৰথম সংখ্যা উন্মোচন কৰিছে বিশিষ্ট লেখক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়াই, ৫ জানুৱাৰীত, ডিব্ৰুগড়ত।




‘প্ৰতিশ্ৰুতি’ৰ সহযোগত, অসম বিজ্ঞান সমিতি ধেমাজি শাখা আৰু ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ মহিলা কোষৰ যৌথ উদ্যোগত ৪ ফেব্ৰুৱাৰীত আয়োজিত বিশ্ব কেন্সাৰ দিৱসৰ সজাগতা সভাৰ এক মূহুৰ্ত।




‘প্ৰতিশ্ৰুতি’ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত দাতা আৰু চিকিৎসকৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ এক দৃশ্য, ৫ জানুৱাৰীত, ডিব্ৰুগড়ত।



‘প্ৰতিশ্ৰুতি’ৰ ‘ক’ভিড ছেণ্টিনেল প্ৰজেক্ট’ৰ সফল ৰূপায়নৰ অন্তত আয়োজন কৰা অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱকসকলৰ স’তে কৰ্মকৰ্তাবৃন্দ, ১১ অক্টোবৰত, ডিব্ৰুগড়ত।




‘প্ৰতিশ্ৰুতি’ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াৰ লগতে অন্যান্য অতিথিবৰ্গ আৰু বঁটাপ্ৰাপকসকলৰ লগত ‘প্ৰতিশ্ৰুতি’ৰ কৰ্মকৰ্তাবৃন্দ, ৫ জানুৱাৰীত, ডিব্ৰুগড়ত।



All Members & Dignitories of Cancer Awareness Programme, on 22nd February, 2020 at Tengakhat College.

## ADVISORY BOARD

**Chief Advisor:**
Prof. Dr. Nagen Saikia

**Advisors:**
Mr. Prasanta Phukan (MLA)
Mr. Rituparna Baruah (MLA)
Mr. Amiya Hazarika
Dr. Dinesh Ch. Goswami
Dr. Amal Chandra Kataki
Dr. Santanu Kumar Sarma
Mr. Cheniram Borah

## EXECUTIVE COMMITTEE

**President:**
Dr. Alak Kumar Buragohain

**Vice President:**
Dr. Rina Ahmed
Mrs. Deepali Saikia
Mr. Debasish Pujari

**Secretary:**
Miss Panna Bharali
M: 94354 76027

**Addl. Secretary and Honorary Programme Director**
Dr. Gayatri Gogoi

**Joint-Secretary:**
Dr. Gourangie Gogoi
Mr. Wazir Bin Qutub
Mr. Ratan Hazarika

**Treasurer:**
Mrs. Manjula Agarwal
M: 94351 31964

**Asst. Treasurer:**
Mr. Himmat Choudhury

**Executive Members**
Dr. G. S. Borgohain
***(Convenor, Palliative Care)***
Dr. Deepsikha Thengal
***(Nodal Officer, Palliative Care)***
Dr. Foujia S. Hakeem
Mr. Padum Poona Baruah
Mr. Partha Pratim Bhuyan
Mrs. Dalimi Gogoi
Mrs. Ashmita Kalita
Mrs. Moushumi Borgohain Gogoi

**Nursing Team**
1. Mrs. Junu Chutia Dihingia
2. Ms. Kobita Rajowar
3. Ms. Dimpee Keot
4. Ms. Sangita Kurmi
5. Miss. Tripti Lodh
5. Mrs. Makhani Bora

**General Members & Volunteers**
1. Mrs. Karabi Hazarika
2. Mrs. Musfi Rahman Hazarika
3. Mr. Simanta Phukan
4. Mr. Nilutpal Sarmah
5. Mr. Bivash Malakar
6. Mr. Madhab Sonowal
7. Mr. Vishal Kumar Sonar
8. Mrs. Dipika Dutta Bordoloi
9. Ms. Sibani Biswakarma
10. Dr. Himanshu Talukdar
11. Mrs. Anjana Tamuli
12. Nawab Md. Siddique
13. Mrs. Shabina Yesmin

**Guwahati Support Team**
1. Mrs. Aditi Baruah
2. Mr. Ajoy Dutta
3. Ms. Himashree Devi
4. Mrs. Monmoromi Mahanta
5. Mr. Tarun Sonowal
6. Mrs. Roonjyoti Hazarika Bora
7. Mrs. Seema Devi Haque
8. Mr. Sandeep Kashyap
9. Miss. Pranami Sarmah

## DISTRICTWISE VOLUNTEERS

**Sivasagar :** Ahir Bhoirob, Dipjyoti GowalaTamanna Yasmin, Anindita Gogoi, Sumrin Ahmed, **Golaghat :** Jyotimoy Nath, Purushottam Basumatary, Amritjyoti Bora, **Sonitpur :** Abhijit Singha Roy, Dr. Subhasankar Singha Roy, Aniruddha Das, **Lakhimpur :** Priyanshi Dutta, Pranjit Dowarah, Tulumoni Borgohain, **Hojai :** Azar Uddin, Manoj Das, **Majuli :** Jutika Nath, **Jorhat:** Jyotibikash Bora, Shraddha Neog, Angelina Bordoloi, **Nagaon :** Tridib Bhuyan, Gautam Gaurav Saha, Bongaigaon: Saddam Hussain, **Tinsukia :** Jahnavi Gogoi, Chiranjit Nandi, **Dhemaji :** Labanya Lahan, Biju bora Dutta, Jayashree Gogoi, Rewati Buragohain, Sewali Chetia, Memon Ahmed, **Cachar :** Bibek Biswas, **Barpeta :** Pallab Kalita, **Nalbari :** Hemen Goswami, **Morigaon :** Parag Jyoti Mahanta, Raktim Kumar Nath, **Udalguri :** Khargeswar Deka, **Dhuburi :** Salima Khatoon, **Karimganj :** Subhra Chandra Malakar, **Goalpara :** Bikash Sarmah,

**OUR BANK ACCOUNT DETAILS**

**A/c Name : Pratishruti Cancer and Palliative Trust, Dibrugarh**
Bank : United Bank of India
Branch : Boiragimath, Dibrugarh
Account No : 2042050000985
IFSC : UTB10BOTR21

**Pratishruti Cancer And Palliative Trust,** Milan Nagar, J Bye Lane, Dibrugarh, Assam 786003
Registration :IN-ASO2642037828727Q, Facebook Page : https://www.facebook.com/pratishrutidibrugarh, Website : www.pratishruti.org